# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-05-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে পুনৰ ৩ লাখ ৭৬ হাজাৰ প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত বাসগৃহৰ অনুমোদন জনাইছে বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণৰ অধীনত ৫৫ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই কথা জানিবলৈ দিয়ে। অসমৰ কৃষিভূমি পৰীক্ষাৰ বাবে কেন্দ্ৰীয় চৰকাৰে কৃষি বিজ্ঞানীৰ ৫৬ টা দল গঠন কৰিব বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী চৌহানে কয়, যে ৰাজ্য চৰকাৰৰ বিষয়াসকলৰ সৈতে বিজ্ঞানীসকলে আলোচনা কৰিব আৰু কি মাটিত কি খেতি কৰিলে ভাল হ'ব সেই সন্দৰ্ভত কৃষকক অৱগত কৰিব। সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ অব্যাহত থাকিব বুলিও তেওঁ লগতে মন্তব্য কৰে। এই অনুষ্ঠানতে মন্ত্ৰীগৰাকীয়ে **লখিমী মিস্ত্ৰী** আঁচনিৰ অধীনত ২১ টা জ্ঞান কেন্দ্ৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু কৃষি বিভাগৰ কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অহা অক্টোবৰৰ পৰা বছা বছা কেইখনমান জিলাৰ হিতাধিকাৰীৰ মাজত ৰাজ সাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ বিতৰণ কৰা হ'ব। সেই অনুসৰি হিতাধিকাৰীসকলে প্ৰতিকেজি মচুৰ দাইল ৬৯ টকা, চেনি ৩৮ টকা আৰু নিমখ ১০ টকা দৰত লাভ কৰিব। অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকে।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ আমিনগাঁৱত নিৰ্মীয়মান আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰি ইয়াৰ অগ্ৰগতিৰ বুজ লয়। ৩৮০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি থকা এই ষ্টেডিয়ামখনলৈ যোৱাৰ বাবে আই আই টিৰ দিশেৰে নতুন পথ নিৰ্মাণ আৰু পাৰ্কিঙৰ কাৰণে পৰ্যাপ্ত ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰক নিৰ্দেশ দিয়ে। এই ষ্টেডিয়ামখন সম্পূৰ্ণ হ'লে প্ৰায় ২০ হাজাৰ দৰ্শকে একেলগে খেল উপভোগ কৰিব পাৰিব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয়, যে ষ্টেডিয়ামখনত খেলুৱৈৰ প্ৰশিক্ষণৰো বিশেষ সুবিধা থাকিব। ২০২৬ চনৰ মাৰ্চত ষ্টেডিয়ামখন মুকলি কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ষ্টেডিয়ামখনত নিৰ্মীয়মান ছুইমিং পুল পৰিদৰ্শন কৰে।

ooooo

বৰপেটা জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ অধীনৰ সৰ্থেবাৰীৰ সমীপৰ গহীয়া গাঁৱত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণৰ তথ্য পোহৰলৈ আহিছে। বৰপেটা জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ তত্বাৱধানত সংক্ৰমণ প্ৰতিৰোধৰ বাবে আজি কেইবাটাও গাহৰি নিধন কৰা হয়। এই সন্দৰ্ভত বৰপেটাৰ জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ প্ৰবীন দাসে কয়, যে গহীয়াৰ সনাতন বড়ো নামৰ ব্যক্তিগৰাকীৰ ফাৰ্মখনৰ কেইবাটাও গাহৰি বিগত কেইদিনমানৰ পৰা অস্বাভাৱিকভাৱে মৃত্যু মুখত পৰিছে। ফাৰ্মখনত থকা ৫১টা গাহৰিৰ ভিতৰত ৩৩ টা গাহৰি মৃত্যু মুখত পৰা বুলি জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া গৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে জীৱিত ১৮ টা গাহৰি আজি নিধন কৰা হয়। বৰ্তমান এই ফাৰ্মখনৰ পৰা এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত এটাও গাহৰি নাই বুলি ডাঃ দাসে প্ৰকাশ কৰিছে।

ooooo

দক্ষিণ শালমাৰা - মানকাচৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ উদ্যোগত আজি জিলাখনৰ সুখচৰত নাও দুৰ্ঘটনা আৰু উদ্ধাৰ অভিযানৰ সতৰ্কতামূলক অনুশীলন কৰা হয়। দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ কৰ্মী আৰু এছ্ ডি আৰ এফ বাহিনীয়ে ব্ৰহ্মপুত্ৰৰ মাজত নাও দুৰ্ঘটনা আৰু উদ্ধাৰ অভিযানৰ আখৰা কৰে। একেদৰে ব্ৰহ্মপুত্ৰৰ পাৰত শিবিৰ নিৰ্মাণ কৰি উদ্ধাৰ হোৱা যাত্ৰীৰ পৰীক্ষাৰ ওপৰতো আখৰা কৰা হয়। এই কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। নাও দুৰ্ঘটনা হোৱা বানৰ সময়ত পানীত কোনো লোক পৰিলে লগে লগে দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰিবলৈ ক্ষেত্ৰ বিষয়া শ্বৰিফুল ইছলামে ৰাইজক আহ্বান জনায়।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ পলাশ চৌধুৰী আৰু অৱসৰপ্ৰাপ্ত কৰ্নেল দীপক চক্ৰৱৰ্তীৰ সৈতে অপাৰেচেন সিন্দূৰ আৰু ভাৰতীয় সেনাবাহিনীৰ পৰাক্ৰমৰ বিষয়ে এটা বাৰ্তালাপ প্ৰচাৰ কৰিব। কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰা হ'ব। এই দুয়োটা অনুষ্ঠানৰে পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

বিশিষ্ট সাংবাদিক, মানৱাধিকাৰ কৰ্মী পৰাগ কুমাৰ দাসৰ ত্ৰিংশতিতম মৃত্যু দিৱস আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হৈছে। মানৱাধিকাৰ সংগ্ৰাম সমিতিয়ে আজিৰ দিনটো ছহিদ দিৱস হিচাপে পালন কৰাৰ লগতে পৰাগ স্মৰণ শীৰ্ষক এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। গুৱাহাটীৰ ৰাজগড়ত স্থাপন কৰা পৰাগ কুমাৰ দাসৰ প্ৰতিমূৰ্তিত আজি মাল্যাৰ্পণ কৰি বিভিন্নজনে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাব, গোলাঘাট মিডিয়া ফ'ৰামেও পৰাগ কুমাৰ দাসৰ মৃত্যু বাৰ্ষিকী পালন কৰে।

মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি পৰাগ কুমাৰ দাস সতীৰ্থ মঞ্চই কাইলৈ বিশিষ্ট চিন্তাবিদ, ইতিহাসবিদ, অধ্যাপক উদয়াদিত্য ভঁৰালীক পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা প্ৰদান কৰিব।

ooooo

সমাপ্ত